# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-12-2024
**Time :** 1845 Hrs

## ***Assamese Evening Bulletin***
### ***HEADLINES***

- - - - - - - - - - - - - -

১। বিগত ডেৰ বছৰত দেশত প্ৰায় ১০ লাখ চৰকাৰী চাকৰিত নিযুক্তি দিয়া হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ। গুৱাহাটীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু শিলচৰত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ নিযুক্তি পত্ৰ বিতৰণ।

২। ডিব্ৰুগড়ৰ অসম সচিবালয়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অসম মন্ত্ৰীসভাৰ বৈঠক।

৩। দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত প্ৰশিক্ষণৰত মণিপুৰ আৰক্ষী জোৱানৰ দীক্ষান্ত সমাৰোহত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিঙৰ অংশগ্ৰহণ।

৪। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী জোৰদাঙাৰ পৰা ১৬ জন বাংলাদেশী নাগৰিকক আটক। **আৰু**

৫। বৰদিনলৈ মাজত এদিন বাকী থকা অৱস্থাত উত্তৰ পূৰ্বাঞ্চলৰ খ্ৰীষ্টধৰ্মী ৰাজ্যসমূহত বৰদিনৰ ব্যাপক প্ৰস্তুতি।

০০০০০

বিগত ডেৰ বছৰত দেশত প্ৰায় ১০ লাখ চৰকাৰী চাকৰিত নিযুক্তি দিয়া হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ৭১ হাজাৰতকৈও অধিক নিযুক্তি পত্ৰ বিতৰণ কৰি দিয়া ভাষণত শ্ৰী মোদীয়ে এই কথা প্ৰকাশ কৰে। দেশখনৰ যুৱ প্ৰজন্মৰ মাজত থকা প্ৰতিভা আৰু সম্ভাৱনাৰ সম্পূৰ্ণৰূপে সু-ব্যৱহাৰ কৰাৰ ওপৰত চৰকাৰে অগ্ৰাধিকাৰ দিছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে চৰকাৰৰ নীতি আৰু সিদ্ধান্তসমূহৰ ফলত বিশেষকৈ গ্ৰামাঞ্চলত নিয়োগ আৰু আত্ম সংস্থাপনৰ বাবে নতুন সুযোগ-সুবিধাৰ সৃষ্টি হৈছে। ভাৰতে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত গঢ়ি তুলিবলৈ সংকল্প লৈছে বুলিও তেওঁ কয়। কেন্দ্ৰীয় চৰকাৰে মেক ইন ইণ্ডিয়া, আত্মনিৰ্ভৰ ভাৰত, ষ্টাৰ্টআপ ইণ্ডিয়া, ষ্টেণ্ড আপ ইণ্ডিয়া আদিৰ দৰে আঁচনিসমূহ যুৱ প্ৰজন্মক লক্ষ্য কৰিয়েই গ্ৰহণ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতে প্ৰতিৰক্ষা খণ্ডত উৎপাদনত অধিক গুৰুত্ব আৰোপ কৰিছে আৰু ইয়াৰ ফলত যুৱক-যুৱতীসকল বিশেষভাৱে উপকৃত হ'ব। শ্ৰী মোদীয়ে লগতে ভাৰত সম্প্ৰতি ম'বাইল ফোন উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ দ্বিতীয় বৃহৎ আৰু তৃতীয় সৰ্ববৃহৎ ষ্টাৰ্টআপ অনুকুল দেশ হিচাপে পৰিগণিত হৈছে বুলি জানিবলৈ দিয়ে।

দেশৰ অন্যান্য প্ৰান্তৰ অসমতো আজি নিযুক্তি মেলাৰ আয়োজন কৰা হয়। গুৱাহাটীত আয়োজিত এই কাৰ্যসূচীত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কেইবাগৰাকীও নৱনিযুক্ত প্ৰাৰ্থীৰ সৈতে মত বিনিময় কৰাৰ উপৰি তেওঁলোকক নিষ্ঠা আৰু একাগ্ৰতাৰে নিজৰ কাম কৰি যাবলৈ আহ্বান জনায়।

**বাইট (সৰ্বানন্দ সোণোৱাল)**

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি শিলচৰত আয়োজিত ৰোজগাৰ মেলাত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে দেশৰ ৪৫খন ঠাইত আজি নিযুক্তি পত্ৰ বিতৰণৰ বাবে বিশেষ মেলা অনুষ্ঠিত হয়। নতুনকৈ নিযুক্তিপ্ৰাপ্ত সকলে গৃহ পৰিক্ৰমা, উচ্চ শিক্ষা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বিত্তীয় সেৱা আদি বিভাগত যোগদান কৰিব। ২০২২ চনৰ অক্টোবৰত আৰম্ভ হোৱা ৰোজগাৰ মেলা এতিয়ালৈকে ৫০খন চহৰত ৰাষ্ট্ৰীয় পৰ্যায়ত ১৩বাৰ আয়োজন কৰা হৈছে।

০০০০০

ডিব্ৰুগড়ৰ অসম সচিবালয়ত আজি অসম মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হ'ব। তিনিদিনীয়া উজনি অসমৰ ভ্ৰমণসূচীৰে বৰ্তমান ডিব্ৰুগড়ত বাহৰ পাতি থকা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই বৈঠকত অধ্যক্ষতা কৰিব।

আজি সন্ধিয়া চাৰে ৬ বজাত অনুষ্ঠিত হ'বলগীয়া বৈঠকখনত পৰিবহন মন্ত্ৰী যোগেন মহন, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰা, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন আৰু শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালা উপস্থিত থাকিব। বৰ্তমান গুৱাহাটী আৰু আন জিলা সদৰত থকা মন্ত্ৰীসভাৰ সদস্যসকলে ভাৰ্চুৱেল ব্যৱস্থাৰে বৈঠকত অংশ ল'ব।

মুখ্যমন্ত্ৰীৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি ডিব্ৰুগড় মানকটা খেলপথাৰত চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত হিতাধিকাৰীসকলৰ মাজত নগদ ধন আৰু সাহায্য বিতৰণ কৰা হয়। অনুষ্ঠানত প্ৰজ্ঞান ভাৰতী আঁচনিৰ ডঃ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত দুহেজাৰ ৫৯৩ গৰাকী শিক্ষাৰ্থীক স্কুটী প্ৰদান কৰাৰ লগতে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা এহেজাৰ ২৫৫ গৰাকী ছাত্ৰ-ছাত্ৰীক নগদ ধন প্ৰদান কৰা হয়। সেইদৰে মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ১০ হাজাৰ ২৭০ গৰাকী ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান কাৰ্যসূচী আৰম্ভ কৰা হয়।

এই ভ্ৰমণৰ সময়ছোৱাত মুখ্যমন্ত্ৰীয়ে উজনি অসমৰ জিলাসমূহত চলি থকা বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰিছে।

০০০০০

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত প্ৰশিক্ষণ লাভ কৰা এহেজাৰ ৯৪৬ আৰক্ষী জোৱানে আজি দীক্ষান্ত কুচ-কাৱাজত অংশগ্ৰহণ কৰে। অসম আৰু মণিপুৰৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেন সিঙে এই কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে। কুচ-কাৱাজৰ সামৰণিত ৰাজ্যপাল আচাৰ্যই এই জোৱানসকলক কৰ্তব্য আৰু দায়িত্বৰ শপতবাক্য পাঠ কৰায়। দীক্ষান্ত ভাষণত ৰাজ্যপাল আচাৰ্যই ১৬ শতিকাৰ মহান বীৰ লাচিত বৰফুকনৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ দেশ আৰু ৰাজ্যৰ সেৱা কৰি যাবলৈ জোৱানসকলক আহ্বান জনায়। কৰ্তব্য নিষ্ঠাৰ লগতে সমাজৰ প্ৰতি দায়বদ্ধ হৈ কাম কৰি যাবলৈ তেওঁ নৱনিযুক্ত জোৱানসকলক পৰামৰ্শ দিয়ে। মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেন সিঙে দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত মণিপুৰ আৰক্ষীৰ এই জোৱানসকলক আধুনিক প্ৰশিক্ষণ দিয়াৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লয় আৰু দুয়োখন ৰাজ্যৰ আৰক্ষী বাহিনীয়ে অদূৰ ভৱিষ্যতে অধিক সহযোগিতাৰে কাম কৰি যাবলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে। দীক্ষান্ত সমাৰোহত ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিং, বিশেষ সঞ্চালক প্ৰধান হৰমিত সিং, সাংসদ কামাখ্যা প্ৰসাদ তাছা, কৃষি

মন্ত্ৰী অতুল বৰা, বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী আৰু অসম আৰু মণিপুৰ আৰক্ষীৰ ভালেকেইগৰাকী উচ্চ পদস্থ বিষয়াই অংশগ্ৰহণ কৰে।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী জোৰদাঙাৰ পৰা আজি পুৱতি নিশা আৰক্ষীয়ে ১৬ জন বাংলাদেশী নাগৰিকক আটক কৰিছে। কেইমাহ মান পূৰ্বে এই লোককেইজনে অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰি বাংগালুৰুত শ্ৰমিক হিচাপে কাম কৰাৰ পাছত ঘৰলৈ উভতি যোৱাৰ বাবে মানকাচৰ সীমান্তত উপস্থিত হৈছিল। মানকাচৰ আৰক্ষীয়ে চোৰাং ব্যৱসায়ীক বাধা দিবলৈ সীমান্তত  তহল দি থকা অৱস্থাত এই লোক কেইজনে সীমান্ত অতিক্ৰম কৰাৰ চেষ্টা চলোৱাৰ সময়তে আৰক্ষীয়ে তেওঁলোকক আটক কৰে। লোক কেইজনক মানকাচৰ থানাত জেৰা কৰি থকা হৈছে আৰু আজি নিশাৰ ভাগত লোক কেইজনক বাংলাদেশলৈ ওভতাই পঠোৱা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীক এই সফলতাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০

দেশজুৰি উদযাপিত সু-শাসন সপ্তাহ ২০২৪ৰ অংশ হিচাপে মৰিগাঁও জিলাত যোৱা ১৯ ডিচেম্বৰৰ পৰা ২৪ ডিচেম্বৰলৈ বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। এই উপলক্ষে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাৰ আৰম্ভণিতে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই সু-শাসন সপ্তাহৰ মূল লক্ষ্যসমূহ ব্যাখ্যা কৰে। তেওঁ সু-শাসনৰ জৰিয়তে জনতাৰ সমস্যাৰ দ্ৰুত সমাধান, উন্নত সেৱা প্ৰদান আৰু প্ৰশাসনক অধিক জনমুখি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ৰাজ্য চৰকাৰৰ অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া হৰিচন্দ্ৰ দত্ত আৰু ৰাজ্য চৰকাৰৰ সচিব কাব্যশ্ৰী মহন্তই সু-শাসন সম্পৰ্কত আলোকপাত কৰে। তেওঁলোকে সু-শাসনৰ জৰিয়তে প্ৰশাসনৰ স্বচ্ছতা, দ্ৰুত সেৱা প্ৰদান আৰু জনমুখি পদক্ষেপ সম্বন্ধে ভাষণত উল্লেখ কৰে। কৰ্মশালাখনত জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগৰ বিষয়াসকলে নিজ নিজ বিভাগৰ জৰিয়তে ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনি আৰু সেৱাসমূহৰ বিষয়ে প্ৰতিবেদন আগবঢ়ায়।

একেদৰে বৰপেটা জিলাতো সু-শাসন সপ্তাহ উপলক্ষে চৰকাৰৰ কেইবাটাও বিভাগৰ কাম-কাজক লৈ এখন কৰ্মশালা অনুষ্ঠিত হয়। জিলাখনৰ গ্ৰামাঞ্চলৰ বিকাশৰ গতি ত্বৰান্বিত কৰাৰ লগতে ৰাইজক উৎকৃষ্ট সেৱা আগবঢ়োৱা সম্পৰ্কে কৰ্মশালাখনত আলোচনা কৰা হয়। এই কৰ্মশালাত স্বাস্থ্য, কৃষি, পশুপালন, সমবায় সমিতি আৰু উদ্যোগত বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। জিলাখনত ৰূপায়ণ হৈ থকা কামবোৰ অধিক ফলপ্ৰসূ কৰি তুলিবলৈ ল'বলগীয়া পদক্ষেপ সম্পৰ্কেও কৰ্মশালাখনত আলোচনা কৰা হয়।

০০০০০

সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিজেপিয়ে ৩১ খন জিলাত তত্বাৱধায়ক আৰু সহ-তত্বাৱধায়কক নিযুক্তি দিছে। তত্বাৱধায়কৰ দায়িত্ব দিয়া সকলৰ ভিতৰত ভালে কেইগৰাকী কেবিনেট মন্ত্ৰী আছে। নিৰ্বাচন পৰিচালনা সমিতিৰ আহ্বায়ক হিচাপে প্ৰাক্তন সাংসদ পল্লৱ লোচন দাসক দায়িত্ব অৰ্পণ কৰা হৈছে। ইস্তাহাৰ সমিতিৰ আহ্বায়ক পদত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসক নিযুক্তি দিয়া হৈছে। নিৰ্বাচন পৰিচালনা সমিতি আৰু ইস্তাহাৰ সমিতিত সহ-আহ্বায়ক আৰু সদস্য হিচাপে ভালে কেইগৰাকী জ্যেষ্ঠ বিজেপি নেতাক দায়িত্ব দিয়া হৈছে।

০০০০০

কোকৰাঝাৰ জিলাৰ বড়োলেণ্ড প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আজি মিলেট বা কণীধান জাতীয় শস্যৰ পৰা উৎপাদিত খাদ্য-সামগ্ৰীৰ পুষ্টিকৰ গুণ সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। উত্তৰ-পূব উন্নয়ন দপ্তৰৰ অধীনত উত্তৰ-পূৰ্বাঞ্চল আঞ্চলিক কৃষি বিপনন নিগমে এই অনুষ্ঠানৰ আয়োজন কৰে। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ সহযোগিতাত আয়োজিত এই অনুষ্ঠানত কমেও ৫০ জন কৃষক, উদ্যোগী আৰু বিভিন্ন ক্ষেত্ৰৰ অংশীদাৰে অংশ লয়।

০০০০০

আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে ডিফু চিকিৎসা মহাবিদ্যালয়ৰ এনাছথেছিয়া বিভাগৰ সহযোগী অধ্যাপক ডাঃ মৃদু পৱন নাথৰ অগ্ৰিম জামিন নাকচ কৰিছে। ন্যায়ালয়ে ডাঃ নাথক পূৰ্বে প্ৰদান কৰা অন্তৰৰ্তীকালীন জামিনো বাতিল কৰে। উল্লেখযোগ্য যে, চৰকাৰী চাকৰিৰ লগতে গুৱাহাটীত ব্যক্তিগত চিকিৎসালয় চলাই ডাঃ নাথে আয়তকৈ অধিক সা-সম্পত্তি অৰ্জন কৰা তথ্য মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে লাভ কৰিছিল।  এনে তথ্যৰ আধাৰত অনুন্ধান চলাই উপযুক্ত তথ্য লাভ কৰাৰ পাছত তদাৰকী কোষে ডাঃ নাথৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰে। এই গোচলতে ন্যায়ালয়ে অভিযুক্ত চিকিৎসকগৰাকীৰ জামিন নাকচ কৰে। মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে অভিযুক্ত চিকিৎসকগৰাকীৰ বিৰুদ্ধে ভুৱা মৰনোত্তৰ প্ৰতিবেদন প্ৰদান কৰাৰো তথ্য লাভ কৰিছে।

০০০০০

বৰদিনলৈ মাজত এদিন বাকী থকা অৱস্থাত উত্তৰ পূৰ্বাঞ্চলৰ খ্ৰীষ্টধৰ্মী ৰাজ্যসমূহত বৰদিনৰ আনন্দোল্লাস আৰম্ভ হৈছে। এই উপলক্ষে গীৰ্জাঘৰৰ লগতে নিজ নিজ বাসগৃহসমূহ ৰং-বিৰঙী ফুল, তৰা, খ্ৰীষ্টমাছ ট্ৰী আৰু আলোকসজ্জাৰে সজ্জিত কৰি তোলা হৈছে। কাইলৈ মাজনিশাৰ পৰা গীৰ্জাসমূহত বৰদিনৰ বিশেষ সমূহীয়া প্ৰাৰ্থনাৰ লগতে কেৰল পৰিৱেশন কৰা হ'ব। প্ৰভু যীশুৰ প্ৰশংসা আৰু স্তুতি গীতেৰে ইতিমধ্যে গীৰ্জাসমূহ মুখৰ হৈ পৰিছে। বৰদিন উপলক্ষে শ্বিলঙৰ পুলিচ বজাৰকে ধৰি বিভিন্ন অঞ্চলত শীতক নেওচি উছাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। বৰদিনৰ আনন্দোৎসৱৰ অংশ হ'বলৈ ৰাজ্যখনলৈ পৰ্যটকৰ ভিৰ বৃদ্ধি পাইছে। শ্বিলঙৰ কেথেড্ৰেল অৱ মেৰী হেল্প অৱ খ্ৰীষ্টিয়ানছ, অল চেইণ্টছ কেথেড্ৰেল, শ্বিলং বেপ্টিষ্ট চাৰ্চ আদিকে ধৰি অন্যান্য গীৰ্জাঘৰসমূহ সুন্দৰভাৱে সজাই পৰাই তোলা হৈছে। বৰদিন উপলক্ষে নাগালেণ্ডৰ কোহিমাকে দৰি অন্যান্য চহৰ তথা পাৰ্বত্য অঞ্চলসমূহত ব্যাপক উছাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। কোহিমা, ডিমাপুৰ, মুককচুং আদি চহৰৰ আবাসীসমূহে পাৰম্পৰিক খাদ্যৰ পৰা আৰম্ভ কৰি বিভিন্ন আলোকসজ্জাৰে থলুৱা নগা সংস্কৃতি আৰু পৰম্পৰাৰ আভাসেৰে নিজৰ বাসগৃহসমূহ সজাই তুলিছে। মণিপুৰতো বৰদিনৰ প্ৰস্তুতি ব্যাপকভাৱে চলিছে। এই উপলক্ষে আইজলৰ টেক্সিচালকসকলে এই দিনকেইটাত বিনামূলীয়া সেৱা আগবঢ়োৱাৰ বাতৰি পোৱা গৈছে।

ৰাজ্যৰ অন্যান্য জিলাসমূহৰ লগতে ধুবুৰী আৰু বিলাসীপাৰাত    খ্ৰীষ্টধৰ্মী লোকসকলৰ মাজত বৰদিনক লৈ উছাহ পৰিলক্ষিত হৈছে। ধুবুৰী জিলাৰ দেবীতলা, বিলাসীপাৰাৰ লগতে চাপৰৰ গীৰ্জাসমূহত বৰদিন উপলক্ষে সমূহীয়া প্ৰাৰ্থনাৰ আয়োজন কৰা হৈছে। আজিৰে পৰা গীৰ্জাসমূহত খ্ৰীষ্টধৰ্মী লোকসকলৰ লগতে অন্য ধৰ্মৰ লোকসকলেও ভিৰ কৰা পৰিলক্ষিত হৈছে।

ৰাজ্যৰ প্ৰথম পৰিস্কাৰ আৰু স্বচ্ছ গাঁও হিচাপে পৰিচিত গোৱালপাৰা জিলাৰ ৰাংচাপাৰাত বৰদিন পালনৰ বাবে ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে। গাঁওখনক বিভিন্ন আলোকসজ্জাৰে সজাই তোলাৰ লগতে খ্ৰীষ্টধৰ্মী

লোকসকলে ঘৰে ঘৰে বিভিন্ন খাদ্য প্ৰস্তুত কৰিছে। একেদৰে বাপুজী নগৰত থকা একমাত্ৰ গীৰ্জাঘৰতো বৰদিনৰ আয়োজন চলিছে।

ooooo

অসম ৰাজ্যিক সংগ্ৰহালয়ত অহা ২৬ ডিচেম্বৰৰ পৰা ৪ জানুৱাৰীলৈ ঐতিহ্য সংগ্ৰহালয় উৎসৱ নামেৰে এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্য চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগ তথা সংগ্ৰহালয় সঞ্চালকালয়ৰ উদ্যোগত এই উৎসৱ অনুষ্ঠিত হ'ব। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আলোচনাচক্ৰ, বিশেষ প্ৰদৰ্শনী, মুকলি মঞ্চৰ লগতে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হ'ব।

ooooo

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয় আৰু সাহিত্য চৰ্চা কেন্দ্ৰ, অসমৰ সহযোগত কোচবিহাৰৰ মধুপুৰ সত্ৰত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে মধুপুৰ মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱৰ সৈতে সংগতি ৰাখি কাইলৈ সাহিত্য বিষয়ক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। মাজুলী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেব গোস্বামী এই আলোচনাচক্ৰখন উদ্বোধন কৰিব। অসমৰ লগতে ওড়িশা আৰু পশ্চিমবংগৰ ভালেসংখ্যক বিশিষ্ট শিক্ষাবিদ আৰু সাহিত্যিকে এই আলোচনাচক্ৰত অংশ ল'ব। পৰহিলৈ ভাগৱত শোভাযাত্ৰা, পালনাম সমাৰোহৰ লগতে থিয়নাম অনুষ্ঠিত হ'ব। বিয়লি ভাগত হ'বলগীয়া মুকলি সভাত বৰপেটা সত্ৰৰ নৱনিৰ্বাচিত বুঢ়াসত্ৰীয়া ড০ বাবুল দাসক অভিনন্দন জনোৱাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব। সন্ধিয়া যোৰহাটৰ নৃ-গোষ্ঠীয় সাংস্কৃতিক মঞ্চই সীতাহৰণ, বালিবধ ভাওনা প্ৰদৰ্শন কৰিব।

ooooo

বৰপেটাৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান ৰংঘৰৰ উদ্যোগত পৰহিলৈৰ পৰা ৪ দিনীয়া কাৰ্যসূচীৰে বৰপেটাত ৩১ সংখ্যক ৰাষ্ট্ৰীয় ৰংঘৰ নাট উৎসৱ অনুষ্ঠিত হ'ব। আজি ৰংঘৰৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত নাট উৎসৱৰ কাৰ্যবাহী উপদেষ্টা অনিল কুমাৰ দাসে এই বিষয়ে প্ৰকাশ কৰে। বৰপেটা জিলা পুথিভঁৰালত পৰহিলৈ সন্ধিয়া ৰাজ্যসভাৰ সাংসদ ভুবনেশ্বৰ কলিতাই এই নাট মহোৎসৱ উদ্বোধন কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। এই অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট অভিনেতাক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। নাট উৎসৱৰ প্ৰথম দিনা হোমেন বৰগোহাই ৰচিত উপন্যাস মৎস্যগন্ধাৰ আধাৰত জীমণি চৌধুৰী আৰু পাকিজা বেগমে দিয়া নাট্যৰূপ **মেনকা** পৰিৱেশন কৰা হ'ব।

ooooo

গুৱাহাটীৰ হেঙেৰাবাৰী নিবাসী জয়মতী ভট্টাচাৰ্যৰ আজি মহানগৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। অঞ্চলটোৰ ভালেমান সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে জড়িত ভট্টাচাৰ্যৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৩ বছৰ।

ooooo

সমাপ্ত